# 'কল্পদ্ৰুম'ৰ ২৯ তম বৰ্ষ

APP No. R.N.I. AP. NO. 3A. A.TC-89

৯ম - ১০ম সংখ্যা, ছেপ্তেম্বৰ - অক্টোবৰ ২০১৭ ইং চন



সম্পাদনা আৰু প্ৰকাশিকা ঃ বিনীতা দেৱী বৰুৱা দাস

সহঃ সম্পাদক ঃ মৃন্ময় দাস

দূৰভাষ- ৯৪৩৫০-৪৮০৬৭, ৯৬৭৮৪২১৬৭০

আবাসিক দূৰভাষ-(০৩৬১) ২৮৪০০১৪

ই-মেইল ঃ abc_mri@rediffmail. com

ৱাট্‌চাপ নং ঃ ৯৯১০৬৫৬৬৩৫, ৯৬৭৮৪২১৬৭০

ঠিকনা

কল্পদ্ৰুম ভৱন, আজাৰা গোসাঁইপাৰা, গুৱাহাটী (কামৰূপ মহানগৰ)

ডাক সূচাংক ঃ ৭৮১০১৭

## আদাম আৰু ইভ

ড০ নমিতা কলিতা, নগাওঁ

আদামে যিদিনা ইভৰ প্ৰেমত পৰিছিল
সেইদিনা ইভতকৈ মিঠা আৰু ভাল লগা
চাগৈ একো নাছিল
নীলাভ নীলাভ চকুযুৰি
সেউজীয়া দেহ
ৰঙা-নীলা-সেউজীয়া মনৰ আবেগ।
আদামে যিদিনা ইভক বেয়া পালে
সেইদিনাও ইভতকৈ তিতা আৰু বেয়া
চাগৈ একো নাছিল
বিষাক্ত কটাক্ষ চকুযুৰি ভাঙি পৰা দেহ
হালধীয়া কজলা মনৰ আবেগ।
তোমাৰ মোৰ হাতৰ ৰেখা মিলিলেও
নিমিলে মনৰ ৰেখা।
সদায় কওঁ
ৰঙৰ সৈতে নেখেলোঁ বুলি।
নীলা-সেউজীয়া হৈ ভাবোঁ
খোজ নিদিওঁ নিদিও বুলিও
বাটে বাটে যাওঁ
নাভাবোঁ বুলিও ভবাজনী ময়েই।
তুমি বাট বোলাৰ দিনা
মই অবাটে গ'লোঁ চাগৈ।

## অহা দিনৰ ক্ষণ গণি

গিৰিজা বালা দাস, গুৱাহাটী

পদূলি মুখৰ
শেৱালি জোপা
পাত ঢাকি ফুল ফুলিছে।
শৰৎ কাল শেৱালিৰ গোন্ধত
ঘৰ পদূলি আমোল মোলাইছে।
মোৰ মনত পৰিল
শেৱালি ফুলা
তাহানিৰ এৰি অহা দিনলৈ।
সেইবোৰ কথা ভাবি
আজি আৰু লাভ নাই।
আজি প্ৰযুক্তিবিদ্যাৰ উন্নত মানৱ শিক্ষা
সা-সৰঞ্জামৰ পয়োভৰ আজি
শামুকৰ খোলাত আবদ্ধ জীৱন
কৃত্ৰিমতাৰ অট্টালিকা সাজি।
কথাবোৰ ভাবি থাকোঁতে
মোৰ এধানিমান বাগিছাখনলৈ চকু পৰিছে
ফুল এজোপাই মাটি পানী নাপাই যেন
মোৰ মুখলৈ চাই চকুলো টুকিছে
ফুল গছজোপাত মই ততাতৈয়াকৈ
মাটি, পানী দিলোঁ
এয়েই নে বাৰু ফুলৰ পৃথিৱী
অকণমান পাত্ৰত মাটি
তাতেই পানী অকণ।
আজি ভাবিছোঁ,
ক'ত এৰি থৈ আহিলোঁ
জীৱনৰ নদন-বদন
ফুলাম বাগিছাখন?

## মানুহক জীয়াই ৰাখিবলৈ

আব্দুল গফাৰ, গাড়ীগাওঁ

মই গোৱা গীতবোৰ
কোনোৱে নুশুনে
মই লিখা কবিতাবোৰ